Total No. of Printed Pages—3

**2 SEM FYUGP MINASM2**

**2 0 2 4**

( May/June )

ASSAMESE

( Minor )

Paper : MINASM2

**( History of Assamese Literature )**

*Full Marks* : 80

*Pass Marks* : 24

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। চমু উত্তৰ লিখাঁ : ১×৮=৮

(ক) দেবেন্দ্রনাথ বেজবৰুৱাৰ সাহিত্যৰ বুৰঞ্জী বিষয়ক পুথিখনৰ নাম কি?

(খ) 'অসমীয়া সাহিত্যৰ ৰূপৰেখা'ৰ ৰচক কোন?

(গ) 'মাৰ্কণ্ডেয় চণ্ডী' কাৰ ৰচনা?

(ঘ) 'অৰুণোদই' প্ৰথম কোন চনত প্ৰকাশ হৈছিল?

(ঙ) প্ৰথম অসমীয়া সামাজিক নাটকখনৰ নাম লিখাঁ।

(চ) চন্দ্ৰকুমাৰ আগৰৱালাৰ এখনি কবিতা-পুথিৰ নাম লিখাঁ।

(ছ) 'মিৰি-জীয়ৰী'ৰ লেখকৰ নাম কি?

(জ) লক্ষ্মীনাথ ফুকন কোন যুগৰ গল্পকাৰ?

২। ড. মহেশ্বৰ নেওগ *অথবা* ড. সত্যেন্দ্ৰনাথ শৰ্মাই কৰা অসমীয়া সাহিত্যৰ যুগবিভাজনৰ বিষয়ে এটি আলোচনা আগবঢ়োৱাঁ। ১২

৩। (ক) মাধৱ কন্দলিয়ে কাৰ পৃষ্ঠপোষকতাত কাব্য ৰচনা কৰিছিল উল্লেখ কৰি কন্দলিৰ সাহিত্যকৃতিৰ চমু পৰিচয় দিয়াঁ।

১+৯=১০

*অথবা*

(খ) প্ৰাক্-শঙ্কৰী যুগৰ কবিকেইজনৰ নাম লিখি সেই যুগৰ সাহিত্যৰ সাধাৰণ লক্ষণসমূহৰ বিষয়ে আলোচনা কৰাঁ।

২+৮=১০

৪। (ক) 'শঙ্কৰদেৱৰ নাট'—এই বিষয়ক এটি চমু আলোচনা যুগুত কৰাঁ। ১২

*অথবা*

(খ) ভট্টদেৱৰ চমু পৰিচয় দি তেওঁৰ গদ্যৰ বিশেষত্বসমূহৰ বিষয়ে আলোচনা কৰাঁ।

৪+৮=১২

৫। (ক) অসমীয়া সাহিত্যৰ আধুনিক কালৰ প্ৰতিষ্ঠাত মিছনেৰীসকলৰ ভূমিকাৰ বিষয়ে চমুকৈ লিখাঁ। ১০

*অথবা*

(খ) অৰুণোদয় যুগৰ অসমীয়া সাহিত্যৰ এটি পৰিচয়মূলক টোকা প্ৰস্তুত কৰাঁ।

৬। অসমীয়া ভাষা-সাহিত্যলৈ হেমচন্দ্ৰ বৰুৱা *নাইবা* গুণাভিৰাম বৰুৱাৰ অৱদান সম্পৰ্কে চমুকৈ লিখাঁ। ৬

৭। (ক) অসমীয়া সাহিত্যৰ ক্ষেত্ৰখনলৈ নতুনত্বৰ আগমনত 'জোনাকী' কাকতে কেনে ভূমিকা গ্ৰহণ কৰিছিল সেই বিষয়ে এটি আলোচনা আগবঢ়োৱাঁ। ১২

*অথবা*

(খ) আৱাহন যুগৰ গল্পৰ বৈশিষ্ট্য সম্পৰ্কে চমুকৈ আলোচনা কৰাঁ।

৮। চমু টোকা লিখাঁ (যি কোনো দুটা) : ৫×২=১০

(ক) ঝুমুৰা

(খ) চৰিত সাহিত্য

(গ) ৰজনীকান্ত বৰদলৈৰ উপন্যাস

(ঘ) পদ্মনাথ গোহাঞিবৰুৱাৰ কবিতা

★★★